Forest Department

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# খান্থালগুৰি পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি)

বাঁশবাৰী বন সংমণ্ডল

মানাহ ৰাষ্ট্ৰীয় উদ্যান

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৬-২৭)

প্ৰস্তুতকৰ্তা

**খান্থালগুৰি পৰিৱেশ উন্নয়ন সমিতি (EDC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

মে', ২০১৭

Field Director Manas Tiger Project
Barpeta Road,Assam

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | ফ্ৰান্স উন্নয়ন এজেন্সী (এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰ্চুনিটিজ |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ (GIS) | ভৌগোলিক তথ্য ব্যৱস্থা (জিঅ'গ্ৰাফিকেল ইনফৰ্মেচন ছিষ্টেম) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কে জি (Kg) | কিলোগ্ৰাম |
| কে এম (Km) | কিলোমিটাৰ |
| এম টি (MT) | মেট্ৰিক টন |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| এন ডব্লিউ এফ পি (NWFP) | কাঠ ভিন্ন বন উৎপাদন (নন উড ফৰষ্টে প্ৰডিউচ) |
| পি ডি এছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা (পাব্লিক ডিষ্ট্ৰিবিউচন ছিষ্টেম) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ এছ (Rs) | ভাৰতীয় টকা |
| এছ এইচ জি (SHG) | আত্মসহায়ক গোট ( ছেল্‌ফ-হেল্প গ্ৰুপ) |
| ভি চি ডি চি (VCDC) | গাঁও পৰিষদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটী) |

# খান্থালগুৰি পৰিৱেশ উন্নয়ন সমিতি
## (জীৱিকা উন্নয়ন পৰিকল্পনা)

## সূচীপত্ৰ


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৪ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৫ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১১ |
| ৫ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ১৩ |
| — | পৰিশিষ্টৰ তালিকা | ১৬ |

## অধ্যায়-১ ঃ ভূমিকা

| | |
|---|---|
| **প্ৰকল্প সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **খাগৰিপথাৰ ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ বাক্সা জিলাত অৱস্থিত খাম্হালগুৰি ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত আগবঢ়োৱা হৈছে। খাগৰিপথাৰ ই ডি চি বিটিচি বন সংমণ্ডলৰ অধীনস্থ বাক্সা বনাঞ্চলিক প্ৰশাসনৰ অন্তৰ্গত। এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ সদস্যৰ অংশগ্ৰহণৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। |

| | |
|---|---|
| | ২০১৬ চনৰ মে' মাহত 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল), গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি চি এম এল-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। এই পৰিকল্পনা গ্ৰহণৰ বাবে আলোচনা আৰু চূড়ান্ত কৰা হয় ৯, এপ্ৰিল, ২০১৭ চনত। |

## অধ্যায়-২ ঃ গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | খাম্থালগুৰি পৰিৱেশ উন্নয়ন সমিতিৰ (ইডিচি) খাম্থালগুৰি গাঁৱৰ সম্প্ৰদায়ক লৈ গঠন কৰা হৈছে। এই ই ডি চি ঘোঁৰামাৰা (ভি চি ডি চি)ৰ অধীনত অসমৰ বাক্সা জিলাৰ অন্তৰ্গত।<br><br>**পৰিশিষ্ট-১ ঃ গাঁৱৰ মানচিত্ৰ আৰু জি আই এছ মানচিত্ৰ** |
| **ই ডি চিৰ মূল তথ্য** | খাম্থালগুৰি ই ডি চিৰ মূল তথ্য তলত উল্লেখ কৰা হ'ল। |

**তালিকা-ক**

| | |
|---|---|
| **ই ডি চিৰ নাম** | খাম্থালগুৰি |
| **বসতিস্থান** | খাম্থালগুৰি |
| **ৰাজহ গাঁও** | খাম্থালগুৰি |
| **গাঁও পঞ্চায়ত/ভি চি ডি চি** | ঘোঁৰামাৰা |
| **ৰাজহ খণ্ড** | জালাহ |
| **জিলা** | বাক্সা |
| **বন সংমণ্ডল** | মানাহ বন্যপ্ৰাণী অভয়াৰণ্য |
| **বন আঞ্চলিক** | বাঁশবাৰী |
| **বন লাট** | **ভাতগলি** |
| **গঠনৰ বছৰ** | ২০১৫ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা ধৰণে ঃ<br>জি পি এছ স্থানাংক<br>৯১°৪'১৫ পূব<br>২৬°৪০'১০ উত্তৰ<br>উত্তৰ ঃ টাকমাপাৰা আৰু ৰজাবিল গাঁও<br>দক্ষিণ ঃ কমলাবাৰী গাঁও<br>পশ্চিম ঃ মানাহ ৰাষ্ট্ৰীয় উদ্যান<br>পূব ঃ ধাননি পথাৰ |

**উৎস ঃ** ই ডি চিৰ তথ্য আৰু ২০১৭ চনৰ এপ্ৰিল মাহত অনুষ্ঠিত পি আৰ এৰ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত বৰ্ণনা তথ্য-I ৰ তালিকা-১ত প্ৰদান কৰা হৈছে (পৰিশিষ্ট তালিকাত)।

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>ই ডি চিৰ কাৰ্যনিৰ্বাহক সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>খগেন স্বৰ্গীয়াৰী</td></tr>
<tr><td>সম্পাদকৰ নাম</td><td>দেংখৌ নাৰ্জাৰী</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা<br><br>সাধাৰণ সমিতিত সদস্যৰ সংখ্যা</td><td>পুৰুষ ঃ ১৭<br>মহিলা ঃ ০৪<br>প্ৰতিঘৰৰে এজনকৈ প্ৰাপ্তবয়স্ক (১১৪ ঘৰ)</td></tr>
</table>
উৎস ঃ ই ডি চিৰ তথ্য।</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>গাঁওখনত মুঠ ১১৪টা পৰিয়াল আছে। কোনোটো পৰিয়ালৰে মুৰব্বী মহিলা নহয়। মুঠ জনসংখ্যা ৫৬০। ইয়াৰে ২৭৬ গৰাকী পুৰুষ আৰু ২৮৪ গৰাকী মহিলা। আটায়ে অনুসূচিত জনজাতি শ্ৰেণীৰ।<br>তালিকা ২.১ আৰু ২.২ত এই সংক্ৰান্তত অধিক তথ্য দিয়া হৈছে।<br>ইয়াৰ পৰা এইটো জনা যায় যে-<br>১. পৰিয়ালৰ গড় সদস্য সংখ্যা ৫।<br>২. গাঁওখনৰ লিংগানুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ১০২৯।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>মুঠ জনসংখ্যাৰ ৪৯ শতাংশ শিক্ষিত আৰু ৫১ শতাংশ নিৰক্ষৰ। মুঠ জনসংখ্যাৰ আধাখিনি লোকেই বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰে শিক্ষিত। মুঠ জনসংখ্যাৰ নিচেই সামান্য সংখ্যকেহে মহাবিদ্যালয় পৰ্যায়ৰ বা উচ্চ শিক্ষা লাভ কৰিছে।<br>আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণে জীৱিকাৰ দক্ষতাসমূহ আহৰণ কৰা হয়। ই ডি চিৰ ক্ষেত্ৰত, অনানুষ্ঠানিক মানে হৈছে দক্ষতা বিকাশৰ পৰম্পৰাগত পদ্ধতি। নিম্নোক্ত ক্ষেত্ৰসমূহত মানুহৰ দক্ষতা আছে —<br>(ক) কৃষি<br>(খ) পশুপালন<br>(গ) বয়ন শিল্প<br>(ঘ) হস্তশিল্প<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়নৰ কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। বসতি অঞ্চল বা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত এই ধৰণৰ কোনো কৰ্মসূচী ৰূপায়ণৰ জৰিয়তে গাঁওখন উপকৃত হোৱা বুলি জানিব পৰা হোৱা নাই।</td>
</tr>
</table>

| | |
|---|---|
| **মাটি** | ভূমিভাগ দ' এলুভিয়াল হিমালয়ান ধৌত মাটি। এনে ভূমিভাগ সাৰুৱা হোৱা বাবে ই বিভিন্ন ধৰণৰ শস্যৰ খেতিৰ বাবে উপযোগী।<br>খৰস্রোতা মানাহ নদীয়ে থিয় পাহাৰীয়া অঞ্চলৰ পৰা আহি এই সমভূমিত কিছু গতি হ্রাস কৰে, ফলত পানীয়ে কঢ়িয়াই নিয়া শিল, বালি, পলস আৰু আন আন গোটা বস্তু ইয়াতে পেলাই যোৱাৰ ফলত ভূমিভাগ এলুভিয়াল হোৱাৰ লগতে শিল-বালি আদি মিশ্রিত হয়। |
| **পানী** | উদ্যানখনৰ পশ্চিমে মানাহ নদী বৈ গৈছে। নদীখন বেঁকী আৰু ভোলকুন্দা এই দুই নদীত বিভক্ত হৈ ৬৪ কিঃমিঃ দক্ষিণৰ ব্রহ্মপুত্রৰ সৈতে মিলিত হৈছে। ইয়াৰ উপৰি আৰু পাঁচখন সৰু নদী সংৰক্ষিত অঞ্চলটোৰ মাজেৰে বৈ যাওঁতে যথেষ্ট পৰিমাণে পলস, শিল আহি পাদদেশৰ পৰা কঢ়িয়াই অনাৰ ফলত অঞ্চলটোত অধিক বৃষ্টিপাত, দ' গড়া আৰু নদীগর্ভ উত্তাল হৈ পৰিছে।<br>প্রকল্প অঞ্চলটোৰ মাজেৰে বৈ যোৱা ভাতগলি নদীৰে অঞ্চলটো বিধৌত। নদীখনত বাৰমাহে পানী থাকে। |
| **জলবায়ু,<br>উষ্ণতা আৰু বৰষুণ** | গ্রীষ্মকালত সর্বাধিক তাপমাত্রা ২৭.৩°-৪° চেলচিয়াছ। শীতকালত তাপমাত্রা সর্বনিম্ন ১৫.৬° - ২° চেলচিয়াছ।<br>ই ডি চিৰ জলবায়ু ক্রান্তীয়ভাৱে সেমেকা। বছৰি বৃষ্টিপাত ২৯০০ মিলিমিটাৰৰ পৰা ৩৯০০ মিলিমিটাৰ। প্রায় তিনি চতুর্থাংশ বৃষ্টিপাত বাৰিষা (মে'ৰ পৰা ছেপ্টেম্বৰ) কালতে হয়। গাঁওখনত বাৰিষা আর্দ্রতা উচ্চ হাৰৰ (৮০ শতাংশৰ ওপৰত) হৈ খৰালি কমি যায় (৭৬ শতাংশৰ কম)। |
| **বন আৰু জৈৱ-বৈচিত্র্য** | (ক) বনাঞ্চলৰ প্রকাৰ ঃ ইয়াৰ বনাঞ্চলত মূলতঃ চিদা, আজাৰ, খকন, গমাৰি, তিতাচপা আদি গছ পোৱা যায়। ই ডি চিৰ গাঁৱত যথেষ্ট পৰিমাণে নেমু গছ আছে। কঁঠাল, বাঁহ আদিও গাঁওবোৰত পোৱা যায়। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | পৰিশিষ্ট ২ত গাঁৰৰ ভূমি ব্যৱহাৰৰ নমুনা দিয়া হৈছে। ইয়াৰ পৰা গাঁৰৰ ভূমি ব্যৱহাৰৰ ধৰণ এনেধৰণে দেখা যায় -<br>কৃষিৰ বাবে ব্যৱহৃত ভূমি ঃ ৭৩.১৪ শতাংশ<br>ৰাস্তা ঃ ২.৭০ শতাংশ<br>স্থায়ী বসতিৰ অঞ্চল ঃ ১৮.১৭ শতাংশ<br>নদী ঃ ১.৩৭ শতাংশ<br>গছ-গছনিৰে আৱৰা ভূমি ঃ ৪.০৫ শতাংশ |
| **ভূমি ধৰণ** | পৰিয়ালসমূহত ভূমি অধিগ্রহণৰ প্রকাৰ তথ্য-১ৰ **তালিকা-৩ত** দিয়া হৈছে। সেইমতে দেখা যায় —<br>২৪.৫৬ শতাংশ পৰিয়াল ভূমিহীন (২৮টা পৰিয়াল)<br>৭১.৯৩ শতাংশ পৰিয়াল উপান্ত কৃষক (৮২টা পৰিয়াল, ২ হেক্টৰতকৈ কম)<br>৩.৫১ শতাংশ পৰিয়াল ক্ষুদ্র কৃষকৰ অন্তর্গত (৪টা পৰিয়াল, ২-১০ হেক্টৰ) |

| | |
|---|---|
| **পশুধন** | গাঁওখনৰ মুঠ পশুধন ১৪০। নিম্নোক্ত তালিকাত প্ৰতিটো পৰিয়ালে গড় হিচাপে পোহা পশুধনৰ তালিকা দিয়া হ'ল—<br>গৰু — ১৯৭<br>ছাগলী — ৭৩<br>ম'হ — ১১<br>কুকুৰা — ৯৮০<br>গাহৰি - ১৪০<br>**সূত্ৰ :** ২০১৬ চনৰ মে' মাহত কৰা পৰিয়ালৰ জৰীপৰ ভিত্তিত<br>উপৰোক্ত বিষয়ত বিতংভাৱে তথ্য-১ৰ **তালিকা**-৪ ত উল্লেখ কৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনবসতি অঞ্চলতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ বহনক্ষম উপায় বিকাশত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনি সন্তোষজনক নহয়। তথ্য-১ৰ তালিকা-৫ত উল্লেখ কৰামতে গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি এনেধৰণৰ—<br>**বস্তুগত আন্তঃগাঁথনি ঃ** খাম্থালগুৰি ই ডি চিৰ অধিবাসীসকল ন্যূনতম প্ৰাকৃতিক গাঁথনি যেনে পৰিবহণ, পানী যোগান, ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মোবাইল সংযোগ আদিৰ পৰা বঞ্চিত।<br>**শিক্ষা আৰু স্বাস্থ্যৰ সুবিধা ঃ** শিক্ষাৰ ক্ষেত্ৰত দেখা যায়, গাঁওখনত মাত্ৰ এটা অংগনৱাড়ী কেন্দ্ৰ আছে। প্ৰাথমিক শিক্ষাৰ উপৰি উচ্চ শিক্ষাৰ বাবেও গাঁওবাসী গাঁৱৰ বাহিৰলৈ যাবলগা হয়। স্বাস্থ্যৰ ক্ষেত্ৰতো গাঁওখনত কোনো প্ৰাথমিক চিকিৎসা কেন্দ্ৰ বা পশু স্বাস্থ্য কেন্দ্ৰ নাই।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় (যেনে আৰক্ষী থানা, গাঁও পঞ্চায়তৰ কাৰ্যালয়, ৰাজহ চক্ৰ কাৰ্যালয়, বন লাট কাৰ্যালয় আদি) গাঁৱৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত।<br>**বিত্তীয় অন্তৰ্ভুক্তি ঃ** বেংক, ডাকঘৰ আদি বিত্তীয় অনুষ্ঠান গাঁৱৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত। |
| **কৃষি শস্য** | গাঁৱৰ উৎপাদিত কৃষিজাত শস্যৰ বিতং **তথ্য-(I)ৰ তালিকা**-৬ত দিয়া হৈছে। গাঁওখনত নিম্নোক্ত শস্যসমূহৰ খেতি হয়—<br>খাৰিফ শস্য ঃ শালি, ৰঞ্জিত, আইজং আদি।<br>ৰবিশস্য ঃ আলু, জলকীয়া, মূলা আদি।<br>অন্যান্য ঃ নেমু, তামোল ।<br>এই শস্যবোৰৰ বেছিভাগেই বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |
| **শস্য উৎপাদিত ৰূপৰেখা** | গাঁৱৰ উৎপাদিত কৃষিজাত শস্যৰ বিতং উৎপাদন পৰিলেখ তথ্য-১ৰ তালিকা-৭ত দিয়া হৈছে।<br>শস্যসমূহৰ গড় উৎপাদন এনেধৰণৰ—<br>ক) ধান ঃ উৎপাদন ১৩৬৮ কুইণ্টল। ৩০ কুইণ্টল প্ৰতি হেক্টৰত<br>খ) পাচলি ঃ উৎপাদন ৩৭.৫ কুইণ্টল। ৩.৭৫ কুইণ্টল প্ৰতি হেক্টৰত<br>গ) তামোল ঃ উৎপাদন ১৫০ কুইণ্টল। ১০ কুইণ্টল প্ৰতি হেক্টৰত<br>ঘ) নেমু ঃ উৎপাদন ১২ কুইণ্টল। ৬ কুইণ্টল প্ৰতি হেক্টৰত |

| | |
|---|---|
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁৱৰ উৎপাদিত পশুখাদ্যৰ বিতং উৎপাদনৰ তথ্য নথি-**১**ৰ **তালিকা**-৮ত দিয়া হৈছে। গাঁৱৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে—<br>ক) শস্যৰ আৱৰ্জনা— হয় (৩-৬ মাহ)<br>খ) চৰণীয়া পথাৰ— হয় (৩-৬ মাহ)<br>গ) ঘৰুৱা আৱৰ্জনা— হয় (৬ মাহৰ কম)<br>ঘ) সেউজ খাদ্য— হয় (৬ মাহৰ কম) |
| **বজাৰ** | তথ্য১ৰ তালিকা-৯ত গাঁৱৰ বিভিন্ন বজাৰৰ অৱস্থান দেখুওৱা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা মূল বজাৰকেইখন এনেধৰণৰ—<br>(ক) গেলামাল/পি ডি এছ ঃ শালবাৰী, ৫ কিঃ মিঃ দূৰৈত।<br>(খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ শালবাৰী, ৫ কিঃ মিঃ দূৰৈত।<br>(গ) প্ৰধান বজাৰ ঃ ৰূপহী, ২ কিলোমিটাৰ দূৰৈত। |
| **জলসম্পদ** | জলসম্পদৰ বিতং তথ্য-(১)ৰ তালিকা-১০ত দিয়া আছে। জলসম্পদৰ মূল উৎসসমূহ হ'ল—<br>ক) কুঁৱা ঃ (পানীৰ উপলব্ধতা - বাৰমাহ)<br>খ) নলীনাদ ঃ (পানীৰ উপলব্ধতা - বাৰমাহ)<br>গ) জুৰি ঃ (পানীৰ উপলব্ধতা - বাৰমাহ)<br>ঘ) হেণ্ড পাম্প ঃ (পানীৰ উপলব্ধতা - বাৰমাহ) |
| **শক্তিৰ ব্যৱহাৰ** | তথ্য-১ৰ **তালিকা**-১১ত গাঁৱৰ মুখ্য শক্তিৰ উৎসসমূহক দেখুওৱা হৈছে। সেইখিনি তলৰ তালিকাত দিয়া হ'ল—<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১১৪টা। উৎস— বস্তি আৰু বনাঞ্চল।<br>খ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৭৬টা । উৎস— খোলা বজাৰ।<br>গ) এল পি জি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১২টা । উৎস— এজেন্সী। |
| **আৰ্থ-সামাজিক অৱস্থা** | সামাজিক গাঁথনি ঃ গাঁওবাসী বড়ো জনগোষ্ঠীৰ আৰু তেওঁলোক অনুসূচিত জনজাতিৰ অন্তৰ্গত। তেওঁলোক সকলো হিন্দুধৰ্মী।<br>অৰ্থনৈতিক অৱস্থা ঃ গাঁওবাসীৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা সন্তোষজনক নহয়। মুখ্য জীৱিকা দৈনিক মজুৰি, কৃষি, পশু-পালন, তাঁত বোৱা আদি। প্ৰতিটো পৰিয়ালৰ বাৰ্ষিক উপাৰ্জনৰ হাৰ গড়ে ৬০,০০০ টকাৰ পৰা ১৮,০০০০০ টকা। |
| **বন্য-প্ৰাণী অঞ্চলৰ প্ৰভাৱ** | ইতিবাচক দিশ ঃ<br>পৰ্যটকৰ পৰা আৰ্থিক লাভ।<br>ভূমি আৰু জল সংৰক্ষণ।<br>পৰিৱেশ উন্নীতকৰণ।<br>নেতিবাচক দিশ ঃ<br>মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত।<br>বন্যপ্ৰাণীৰ দ্বাৰা সা-সম্পত্তি ধ্বংস।<br>গো-শস্যৰ আৱৰ্জনা |

| | |
|---|---|
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-১ত সন্নিৱিষ্ট কৰা হৈছে ।<br>অৱস্থান মানচিত্ৰ<br>গাঁৱৰ মানচিত্ৰ<br>গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এৰ সদস্যসকলৰ নাম আৰু তথ্যৰ সৈতে)<br>গাঁৱৰ সম্পদৰ স্থানাংক<br>ভেন ডায়েগ্ৰাম<br>চাপাট্টি ডায়েগ্ৰাম<br>ভূমি ব্যৱহাৰৰ জি আই এছ মানচিত্ৰ |

| | |
|---|---|
| **জীৱিকাৰ সুবিধা বিশ্লেষণ** | নিম্নোক্ত শিতানসমূহত জীৱিকাৰ বিশ্লেষণ কৰা হয় —<br>ক) জীৱিকাৰ সম্পদ<br>খ) জীৱিকাৰ পৰিপ্ৰেক্ষিত<br>গ) সম্ভাৱনাপূৰ্ণ জীৱিকাৰ অগ্ৰাধিকাৰ স্থানাংক<br>খাম্থালগুৰি ই ডি চি অধীনৰ অঞ্চলসমূহত পি আৰ এ-ৰ অনুশীলন সম্পন্ন কৰি নিম্নোক্ত নিৰ্ণায়কসমূহক আগত ৰাখি এনেদৰে জীৱিকাৰ সুবিধা বিশ্লেষণ কৰা হৈছে—<br>প্ৰাকৃতিক মূলধন<br>বাস্তৱিক মূলধন<br>সামাজিক মূলধন<br>মানৱ সম্পদ<br>বিত্তীয় মূলধন |
| **প্ৰাকৃতিক মূলধন** | খাম্থালগুৰি ই ডি চি মানাহ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত। ইয়াৰ মুখ্য প্ৰাকৃতিক মূলধন হৈছে চিদা, আজাৰ, গমাৰি, তিতাচপা আদি।<br>ই ডি চিৰ মাজেদি যোৱা নদীখন হৈছে ভাতগলি নদী। গাঁওবাসীয়ে কৃষি আৰু পশু-পালনৰ বাবে এই নদীৰ পানী ব্যৱহাৰ কৰে। গাঁওবাসীয়ে কুঁৱা আৰু হেণ্ড পাম্পৰ পানী খায়।<br>(তালিকা -১০-ৰ পৰিশিষ্ট-৬ দ্ৰষ্টব্য) |
| **বাস্তৱিক মূলধন** | খাম্থালগুৰি ই ডি চিৰ অন্তৰ্গত, উপান্ত কৃষকসকলৰ সৰহসংখ্যক লোকেই ধানখেতি আৰু তামোল খেতিৰ সৈতে জড়িত।<br>(এই বিষয়ে বিতং তথ্য তালিকা-৩ৰ পৰিশিষ্ট-৬ত দিয়া হৈছে)<br>গাঁওখনত ৯৮টা অৰ্ধপকী ঘৰ আৰু বাকী ১৬টা পকীঘৰ। ইন্ধনৰ বিভিন্ন উৎস হিচাপে কেৰাচিন, বিদ্যুৎ আৰু এল পি জি উপলব্ধ। গাঁওবাসীয়ে ঘৰুৱা ব্যৱহাৰৰ বাবে কাঠখৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰশীল (তালিকা-১১ৰ পৰিশিষ্ট-৬ দ্ৰষ্টব্য)।<br>গাঁৱৰ ভিতৰত এখন প্ৰাথমিক স্কুল আৰু এটা অংগনৱাড়ী কেন্দ্ৰ আছে (তালিকা-৫ৰ পৰিশিষ্ট-৬ দ্ৰষ্টব্য)<br>পানীৰ উৎস হিচাপে ই ডি চি এলেকাত ৩টা কুঁৱা, ১টা নলীনাদ, ১টা হেণ্ড পাম্প, ১টা পুখুৰী আৰু জুৰি আছে। |

| | |
|---|---|
| **সামাজিক মূলধন** | সজাগতা অনুষ্ঠানসমূহত গাঁওবাসী বিশেষভাৱে জড়িত নহয়। এই ক্ষেত্ৰত তেওঁলোকৰ মাজত সজাগতাৰ অভাৱ। সেয়ে এই অনুষ্ঠানবোৰে আগবঢ়োৱা সা-সুবিধাবোৰ তেওঁলোকে লাভ কৰিব নোৱাৰে।<br>তথাপিও গাঁৱত পাঁচটা আত্মসহায়ক গোট সক্ৰিয় হৈ আছে। গাঁওখনত ৩টা নামঘৰ আৰু ১টা পুথিভঁৰাল আছে। ই ডি চি এলেকাত কোনো ৰাজহুৱা ভৱন নাই। |
| **মানৱ সম্পদ** | ই ডি চি এলেকাৰ মুঠ জনসংখ্যাৰ ৪৯ শতাংশ লোক শিক্ষিত। বেছিভাগ লোকেই (প্ৰায় ৩১.৬১ শতাংশ) প্ৰাথমিক শিক্ষাৰ পৰ্যায় অতিক্ৰম কৰিছে। তদুপৰি, মুঠ জনসংখ্যাৰ ১৩.৭৫ শতাংশ লোকে উচ্চতৰ মাধ্যমিক স্তৰ আৰু ৩.৭৫ শতাংশ লোকে স্নাতক আৰু তাৰ পাছৰ পৰ্যায় অতিক্ৰম কৰিছে (তালিকা-৩.২ৰ পৰিশিষ্ট-৩ দ্ৰষ্টব্য)। |
| **বিত্তীয় মূলধন** | ই ডি চি এলেকাত কোনো চৰকাৰী বেংক নাই। ৫ কিঃ মিঃ দূৰৈৰ শালবাৰীত এটা বেংক আছে। তথাপিও গাঁওবাসীৰ কোনো কোনোৱে আত্মসহায়ক গোট, আত্মীয়-স্বজনৰ পৰা ধন ধাৰে লয়।<br>প্ৰায় ৬০ শতাংশ লোকৰ বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোক এনে বিত্তীয় অনুষ্ঠানৰ সা-সুবিধা সম্পৰ্কে জ্ঞাত নহয়। |
| **জীৱিকাৰ পৰিপ্ৰেক্ষিত** | খাস্থালগুৰি ই ডি চি এলেকাত চিনাক্ত কৰা জীৱিকাৰ বিষয়সমূহ এনেধৰণৰ—<br>ক) ই ডি চিৰ মুঠ উপাৰ্জনৰ সৈতে জড়িত বিশেষ জীৱিকা বিষয়ৰ অৱদান<br>খ) বিশেষ জীৱিকাৰ বিষয় সন্নিৱিষ্ট শতকৰা উপাৰ্জন<br>গ) সম্ভাৱনাময় জীৱিকাৰ বিষয়সমূহৰ অগ্ৰাধিকাৰ স্থানাংক |
| **মুঠ উপাৰ্জনৰ সৈতে জড়িত বিশেষ জীৱিকাৰ বিষয়** | ই ডি চিৰ জীৱিকাৰ বিষয়সমূহৰ মুঠ উপাৰ্জনৰ অৰিহণা—<br>ক) তামোলৰ খেতি, ধানখেতি<br>খ) দৈনিক মজুৰি<br>গ) পশু-পালন<br>ঘ) ক্ষুদ্ৰ ব্যৱসায় |
| **উপাৰ্জন গ্ৰুপৰ ই ডি চিৰ এক বিশেষ উপাৰ্জনলৈ অৱদান** | পি আৰ এৰ বিশ্লেষণ আৰু পৰিয়ালৰ ওপৰত চলোৱা জৰীপৰ পৰা দেখা গ'ল যে আটাইবোৰ পৰিয়ালেই বছৰৰ কোনোবা নহয় কোনোবা সময়ত এই জীৱিকাবোৰৰ সৈতে জৰিত হৈ পৰেঃ<br>প্ৰাথমিক পৰ্যায়ৰ জীৱিকা ঃ ধানখেতি, দৈনিক মজুৰি<br>প্ৰাৰম্ভিক পৰ্যায়ৰ জীৱিকা ঃ তামোলৰ খেতি, পশু-পালন, ক্ষুদ্ৰ ব্যৱসায়।<br>ইয়াতে কিছুমান সেৱা খণ্ডৰ সৈতে জড়িত  কৰ্মচাৰীও আছে। |
| **সম্ভাৱনাময় জীৱিকাৰ স্থানাংক বিষয়সমূহৰ অগ্ৰাধিকাৰ ক্ৰম** | সম্ভাৱনাময় জীৱিকাৰ বিষয়সমূহৰ অগ্ৰাধিকাৰ স্থানাংক<br>১) বয়ন<br>২) ধানখেতি<br>৩) চিলাই<br>৪) কাঠমিস্ত্ৰীৰ কাম<br>৫) দৈনিক মজুৰি<br>৬) উদ্যানশস্য<br>৭) খাদ্য প্ৰস্তুতকৰণ |

# অধ্যায়-৪ ঃ জীৱিকাৰ সুযোগ বিশ্লেষণ

<table>
<tr><td>পি আৰ এ অনুশীলন</td><td>আই আই ই,গুৱাহাটীৰ দলে পি আৰ এ অনুশীলনৰ দ্বাৰা খাম্থালগুৰি ই ডি চি সম্পৰ্কে বাহিৰ কৰা তথ্য ঃ<br>তাৰিখ ঃ ৯ এপ্ৰিল, স্থান ঃ খাম্থালগুৰি প্ৰাথমিক বিদ্যালয়<br>উপস্থিতিৰ সংখ্যা ঃ ২৫<br>উপস্থিত থাকে ঃ গাঁওবুঢ়া, ইডিচিৰ কাৰ্যকৰা সদস্য, বন বিভাগৰ কৰ্মচাৰী আদি।</td></tr>
<tr><td>পি আৰ এৰ উদ্দেশ্য</td><td>সমাজৰ উন্নয়ন আৰু উন্নীতকৰণৰ বাবে প্ৰতিটো পৰিয়ালৰ জীৱিকাৰ অৱস্থা অধ্যয়ন কৰা আৰু বনাঞ্চলৰ উন্নয়নৰ পৰিকল্পনাই উদ্দেশ্য।</td></tr>
<tr><td>পি আৰ এৰ তথ্য আহৰণত ব্যৱহৃত আহিলা</td><td>বিভিন্ন ধৰণৰ আহিলা ব্যৱহাৰ কৰি তথ্য আহৰণ কৰা হৈছিল ঃ<br>সামাজিক জৰীপ<br>সম্পদৰ স্থানাংক<br>সময়-সীমা পুনৰীক্ষণ<br>জীৱিকাৰ ঋতুকালীনতা<br>ভেন ডায়েগ্ৰাম<br>চাপাটি ডায়েগ্ৰাম<br>(তালিকা-৩ত উক্ত তথ্যসমূহ বিতংকৈ দিয়া হৈছে)</td></tr>
<tr><td>স্থানাংক</td><td>নিম্নোক্ত বিষয়সমূহৰ বাবে স্থানাংক অনুশীলন কৰা হয়—<br>প্ৰাৰম্ভিক কাৰ্যসূচী (ই পি এ)<br>জীৱিকা আৰু দক্ষতা বিকাশ<br><br>প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক<br>
<table>
<tr><th>স্থা নাং ক</th><th>স্থানাংক অনুসৰি গাঁৱৰ ই পি এ</th><th>বিতং বিৱৰণ (পৰিশিষ্ট- 3-ত অতিৰিক্ত তথ্য দিয়া হৈছে)</th><th>ধনৰ সম্ভাব্য উৎস / বিভাগ</th></tr>
<tr><td>১।</td><td>সমূহীয়া ভৱন</td><td>সম্প্ৰদায়ৰ সভাৰ বাবে</td><td>পঞ্চায়ত-গ্ৰামোন্নয়ন</td></tr>
<tr><td>২।</td><td>হস্ততাঁত (বয়ন)</td><td>প্ৰশিক্ষণৰ সুবিধাৰে এটা কেন্দ্ৰ</td><td>এ পি এফ বি চি</td></tr>
<tr><td>৩।</td><td>খোৱাপানী</td><td>ঘৰুৱা ব্যৱহাৰৰ বাবে</td><td>ই পি এ/ এ পি এফ বি চি</td></tr>
<tr><td>৪।</td><td>জলসিঞ্চন</td><td>কৃষি কাৰ্যৰ বাবে</td><td>জলসিঞ্চন বিভাগ, অসম চৰকাৰ</td></tr>
<tr><td>৫।</td><td>অনাময়</td><td>কম মূল্যৰ ঘৰুৱা লেট্ৰিন ছেপিচক আৰু ছেনিটাৰী প্ৰকাৰ</td><td>স্বচ্ছ ভাৰত মিছন/ পি এইচ ই</td></tr>
</table>
</td></tr>
</table>

| | |
|---|---|
| **জীৱিকাৰ সুযোগ** | জীৱিকাৰ সুযোগসমূহ তলত দিয়া ধৰণৰ—<br>১. বয়ন<br>২. ধানখেতি<br>৩. চিলাই<br>৪. কাঠমিস্ত্ৰীৰ কাম<br>৫. দৈনিক মজুৰি<br>৬. উদ্যানশস্য<br>৭. খাদ্য সংসাধন<br>অতিৰিক্ত আলোচনাবোৰ তলত দিয়া হ'ল— |
| **কৃষি** | কৃষি তথ্য-২-ৰ তালিকা-১২ ত কৃষি আৰু উদ্যান শস্য বিষয়ত জৰিত সুযোগসমূহ দেখুওৱা হৈছে—<br>**মূল বাধা ঃ**<br>(ক) বনৰীয়া জন্তুৰ আক্ৰমণ প্ৰতিৰোধৰ অভাৱ<br>(খ) উপযুক্ত জলসিঞ্চন সুবিধাৰ অভাৱ<br>(গ) পি আৰ এৰ বিশ্লেষণৰ পৰা দেখা গৈছে যে ই ডি চি এলেকাত আধুনিক সা-সজুঁলি, আহিলা যেনে পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ<br>(ঘ) অধিক উৎপাদনক্ষম সঁচৰ ব্যৱহাৰ নাই<br>**সুবিধাসমূহ ঃ**<br>(ক) কৃষিভূমিৰ নিৰাপত্তাৰ বাবে সামাজিক বেৰ<br>(খ) উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা আৰু জলসিঞ্চন বিভাগৰ সৈতে সংযোগ স্থাপন<br>(গ) আধুনিক সা-সজুঁলি, আহিলা আদিৰ প্ৰয়োগ<br>(ঘ) অধিক উৎপাদনক্ষম সঁচৰ ব্যৱহাৰ<br>**পৰামৰ্শমূলক কাৰ্যসূচী ঃ**<br>(ক) জৈৱিক কৃষিৰ প্ৰশিক্ষণ<br>(খ) বিভিন্ন যোজনাৰ সুবিধাসমূহ পাবৰ বাবে চৰকাৰী বিভাগৰ সৈতে সংযোগ স্থাপন।<br>(গ) আৰ কে ভি ৱাই, এন এফ এছ এম আদি চৰকাৰী আঁচনিসমূহৰ বিষয়ে সজাগতা অনুষ্ঠান |
| **বয়ন** | তালিকা ১৩ত বয়ন সম্পৰ্কে অতিৰিক্ত তথ্য দাখিল কৰা হৈছে—<br>**মূল বাধাসমূহ ঃ**<br>(ক) জাকাৰ্ট মেচিনৰ দৰে আধুনিক সঁজুলিৰ অভাৱ<br>(খ) আধুনিক সঁজুলি ব্যৱহাৰৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ<br>**সুবিধাবোৰ হ'ল ঃ**<br>(ক) পৰম্পৰাগত বয়ন শিল্প বিষয়ত মহিলাসকল দক্ষ। গাঁৱৰ উন্নয়নৰ শিতানত সৰহ পৰিমাণৰ সামগ্ৰী যোগান আৰু উৎপাাদিত দ্ৰব্য বিক্ৰীৰ ব্যৱস্থা<br>(খ) যিহেতু বোৱনীসকল পৰম্পৰাগত বয়ন শিল্প বিষয়ত দক্ষ; গতিকে আধুনিক |


| | |
|---|---|
| হস্ততাঁত | প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ অসুবিধা নহ'ব।<br>পৰামৰ্শমূলক কাৰ্যসূচী ঃ<br>(ক) বয়নৰ আধুনিক সঁজুলি ব্যৱহাৰৰ প্ৰশিক্ষণ ব্যৱস্থা<br>(খ) বোৱনীসকলৰ সংস্থাৰ সৈতে সংপৃক্তকৰণ |
| এন টি এফ পি | সকলো গাঁৱেই সংৰক্ষিত এলকাৰ সমীপৱৰ্তী, এন টি এফ পি সংগ্ৰহৰ কোনো সুযোগ নাই |
| বিশেষীকৃত দক্ষতা | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য **নথি-২**ৰ **তালিকা-১৫**ত দিয়া হৈছে।<br>**প্ৰধান বাধাসমূহ হৈছে ঃ**<br>(ক) উৎপাদন বহুমুখীকৰণৰ অভাৱ।<br>(খ) উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ।<br>(গ) কাৰিকৰী জ্ঞানৰ উপায়ৰ অভাৱ।<br>**সুবিধাসমূহ হ'ল ঃ**<br>(ক) ভাল যোগাযোগ ব্যৱস্থা প্ৰদান<br>(খ) দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল ঃ**<br>(ক) আধুনিক যন্ত্ৰপাতি আৰু সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>(খ) দক্ষতা উত্তৰণ আৰু নতুন উৎপাদন উন্নয়ন আৰু উৎপাদন বিবিধকৰণৰ ওপৰত প্ৰশিক্ষণ<br>(গ) প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান। |
| ঋণৰ সুবিধা | এই সন্দৰ্ভত **তথ্য-২**ৰ **তালিকা-১৬**ত আলোচনা কৰা হৈছে।<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ হৈছে ঃ**<br>(ক) বিত্তীয় বহিৰ্ভূত<br>(খ) বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুত ধাৰ্য কৰা<br>**সুযোগসমূহ হৈছে ঃ**<br>(ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>(খ) পৰ্যাপ্ত সজাগতা<br>**পৰামৰ্শমূলক কাৰ্যসূচী হৈছে ঃ**<br>(ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| কৌশলগত হস্তক্ষেপ | জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপবোৰ হ'ল—<br>(ক) **কৃষি ঃ** কৃষি দক্ষতা উন্নয়ন আৰু ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ সম্পৰ্কে প্ৰশিক্ষণ।<br>(খ) **বয়ন শিল্প ঃ** আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰৰ বাবে প্ৰশিক্ষণ, বোৱনী সংস্থাৰ সৈতে সংস্পৃক্তকৰণ।<br>(গ) **এন ডব্লিউ এফ পি ঃ** কোনো সুবিধা নাই।<br>(ঘ) **বিশেষ দক্ষতা ঃ** আধুনিক আহিলা আৰু সা-সৰঞ্জাম ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>(ঙ) **ঋণৰ সুবিধা ঃ** নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

# পৰিশিষ্ট তালিকা



| পৰিশিষ্ট নং | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| | **মানচিত্ৰ ঃ** | |
| ১ | অৱস্থিতি মানচিত্ৰ | ১৭ |
| | গাঁৱৰ মানচিত্ৰ | ১৮ |
| | গাঁৱৰ সম্পদৰ মানচিত্ৰ | ১৯ |
| ২ | **গাঁৱৰ ভূমি ব্যৱহাৰৰ মানচিত্ৰ (জি আই এছ)** | ২০ |
| | **পি আৰ এ অনুশীলন** | ২১ |
| | সামাজিক মানচিত্ৰায়ন | ২২ |
| ৩ | সম্পদৰ স্থানাংক নিৰ্ধাৰণ | ২৪ |
| | সময়-সীমা পুনৰীক্ষণ | ২৫ |
| | জীৱিকাৰ ঋতুকালীনতা | ২৬ |
| | ভেন ডায়েগ্ৰাম | ২৭ |
| | চাপাট্টি ডায়েগ্ৰাম | ২৮ |
| | অগ্ৰাধিকাৰ স্থানাংক-ই পি এ আৰু সম্ভাৱনাপূৰ্ণ জীৱিকা | ২৯ |
| ৪ | আলোকচিত্ৰ | ৩০ |
| ৫ | ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা | ৩১ |
| | ই ডি চিৰ পঞ্জীয়ন-পত্ৰ | ৩২ |
| | প্ৰশিক্ষণত অংশগ্ৰহণকাৰীৰ তালিকা | ৩৩ |
| ৬ | পূৰণ কৰা তালিকা (প্ৰফৰ্মা-১ পৰা প্ৰফৰ্মা-৪ ) (তালিকা ১-১৬) | ৩৪ |

## পৰিশিষ্ট I


১. অৱস্থিতিৰ মানচিত্ৰ




২. গাঁৱৰ মানচিত্ৰ


Village Map
N
W
E
S
IRRIGATION
Culvert
House
Paddy Field
Library
Bridge
L.P. School
Forest Area
Aanganwadi Centre
Signatures:
President/ Secretary
Khanthaiguri
Eco- Development Committee
Date:

৩. খান্থালগুৰি ই ডি চিৰ সম্পদৰ মানচিত্ৰ



## পৰিশিষ্ট 2
## জি আই এছৰ ভূমি ব্যৱহাৰ মানচিত্ৰ




Source: Google earth Imagery

Prepared by: Indian Institute of Entrepreneurship

## পৰিশিষ্ট 3

## পি আৰ এৰ কাৰ্যকৌশল

### পি আৰ এৰ অৱস্থান আৰু সময়

| | | |
|---|---|---|
| অংশগ্ৰহণকাৰীৰ সংখ্যা | ঃ | ২৫ |
| সময় | ঃ | ৯ এপ্ৰিল, ২০১৭ দিনৰ ১০.৩০ |
| স্থান | ঃ | প্ৰাথমিক বিদ্যালয় (খাম্থালগুৰি ই ডি চি) |

**তালিকা- ৩.১ খাম্থালগুৰি ই ডি চিৰ অধীনস্থ গাঁওসমূহৰ চমু বিৰৰণ**

| ক্ৰমিক নং | গাঁৱৰ নাম | মুঠ পৰিয়াল | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | পুৰুষ | পুৰুষ | মহিলা |
| ১ | খাম্থালগুৰি | ১১৪ | ৫৬০ | ২৭৬ | ২৮৪ |
| | **মুঠ** | **১১৪** | **৫৬০** | **২৭৬** | **২৮৪** |

**তালিকা-ঘ ঃ গাঁওবাসীৰ শিক্ষাৰ বিতং তালিকা**

| নিৰক্ষৰ | প্ৰাথমিক | মাধ্যমিক | উচ্চ মাধ্যমিক | উচ্চতৰ মাধ্যমিক | স্নাতক আৰু তাতকৈ উচ্চ | মুঠ |
|---|---|---|---|---|---|---|
| ২৮৫ | ৮৫ | ৪০ | ৫২ | ৭৭ | ২১ | ৫৬০ |

**তালিকা- ৩.২ ঃ কঁঠালগুৰি ই ডি চি-ৰ অধীনৰ গাঁওবাসীৰ উপাৰ্জনৰ স্তৰৰ চমু বিৰৰণ**

| উপাৰ্জনৰ স্তৰ | পৰিয়ালৰ সংখ্যা |
|---|---|
| ৬০,০০০ - ৮০,০০০ | ২৮ |
| ৮০,০০০ - ১০০,০০০ | ৫৯ |
| ১০০,০০০ - ১২০,০০০ | ১৫ |
| ১২০,০০০ - ১৫০,০০০ | ৮ |
| ১৫০,০০০ ৰ বেছি | ৪ |

অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপৰ অনুশীলনৰ বাবে ব্যৱহাৰ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপৰ বিভিন্ন আহিলা ঃ


১) সামাজিক মানচিত্ৰায়ন
২) সম্পদৰ স্থানাংক
৩) সময়-সীমা পুনৰীক্ষণ
৪) ঋতুকালীনতা বিশ্লেষণ
৫) ভেন ডায়েগ্ৰাম
৫) চাপাটি ডায়েগ্ৰাম

## ৩.১ সামাজিক মানচিত্ৰায়ন

খাম্থালগুৰি ই ডি চিৰ অন্তৰ্গত গাঁওবাসীৰ সামাজিক মানচিত্ৰ অংকনৰ বেলিকা গাঁওবাসীৰ আৰ্থ-সামাজিক দিশত দৃষ্টিপাত কৰাৰ উপৰি গাঁওখনৰ ঘৰ-দুৱাৰৰ প্ৰকাৰ, শিক্ষানুষ্ঠানৰ সংখ্যা, সামাজিক পৰিৱেশ আৰু পৰিয়ালৰ মাজত ধৰ্মীয় বিশ্বাস আদিলৈ লক্ষ্য কৰা হৈছে। প্ৰথমে আমি গাঁও আৰু সামাজিক অনুষ্ঠানসমূহলৈ গৈ জি পি এছ ৰিচিভাৰ ব্যৱহাৰ কৰি তথ্যসমূহ সংগ্ৰহ কৰিছিলোঁ। গাঁওবাসী মানচিত্ৰ অংকনৰ দিশত উৎসাহী হোৱা গুণে তেওঁলোকে আগ্ৰহেৰে অংশগ্ৰহণ কৰিছিল।

**তালিকা-৩.১ গাঁৱৰ বিষয়ে তথ্য**

| **সামাজিক তথ্য** | **গাঁও** | **কঁঠালগুৰি** |
|---|---|---|
| | মুঠ জনসংখ্যা | ৫৬০ |
| | পুৰুষ | ২৭৬ |
| | মহিলা | ২৮৪ |
| | মুঠ পৰিয়াল | ১১৪ |
| | পকীঘৰ | ১৬ |
| | কেঁচা/খেৰীঘৰ | — |
| | আৰ্ধপকী ঘৰ | ৯৮ |
| পৰিচিতি | দলং | ১ |
| | জুৰি | ১ |
| | নদী | নাই |
| | পি এইচ ই ডি | নাই |
| | ৰাজহুৱা ভৱন | নাই |
| | ৰাজহুৱা হেণ্ড পাম্প | নাই |
| | কুঁৱা | ৪ |
| | মথাউৰি | নাই |
| | বান্ধ | নাই |
| | খেলপথাৰ-চৰণীয়া পথাৰ | ১ |
| | পুথিভঁৰাল | ৩ |
| | ট্ৰেন্সফৰ্মাৰ | ১ |




## সামাজিক মানচিত্ৰৰ পৰা উদ্ধৃত তথ্য

- সামাজিক মানচিত্ৰৰ সৈতে জড়িত তথ্যৰ পৰা জানিব পৰা গ'ল যে, গাঁওখনৰ ১১৪টা বাসগৃহৰ ৯৮ টা বাসগৃহই আধা পকা আৰু বাকী ১৬টা পকা ঘৰ আছে। উল্লেখযোগ্য যে, গাঁৱত বাস কৰা দুখীয়া মানুহখিনি এতিয়াও চৰকাৰী ইন্দিৰা আৱাস যোজনাৰ মৌলিক বাসগৃহৰ আঁচনিৰ পৰা বঞ্চিত হৈ আছে।
- ব্যক্তিগত বাসভৱনৰ উপৰিও গাঁওখনত থকা প্ৰাথমিক বিদ্যালয়, অংগনৱাদী কেন্দ্ৰ, মন্দিৰ, পুথিভঁৰাল আৰু খেলপথাৰ, ৰাজহুৱা ভৱন, ৰাজহুৱা দমকল, হেণ্ড পাম্প আৰু দলং মানচিত্ৰত চিনাক্ত কৰা হৈছে।
- গাঁওবাসীয়ে দৈনিক পানীৰ ব্যৱহাৰৰ বাবে ৰাজহুৱা ৰিং কুৱা আৰু দমকলেই প্ৰধান উৎস।
- গাঁওখনৰ শিক্ষা ব্যৱস্থা সন্তোষজনক নহয়। গাঁৱৰ ভিতৰত মাত্ৰ ১টা প্ৰাথমিক বিদ্যালয় আছে, কোনো মজলীয়া আৰু উচ্চ বিদ্যালয় নাই।
- সকলো গাঁওবাসী অনুসূচীত জাতিৰ বড়ো লোক।

**আৰ্জিত তথ্য ঃ**

- কঁঠালগুৰি যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত গাঁৱত বিদ্যুতৰ সুবিধা আছে যদিও দিনটোৰ মাত্ৰ ৪-৫ ঘণ্টাহে বিদ্যুত উপলব্ধ হয়।
- পৰিয়ালবোৰ এতিয়াও ইন্ধনৰ বাবে বনাঞ্চলৰ কাঠখৰিৰ ওপৰত নিৰ্ভৰশীল। দুটামান পৰিয়ালৰ প্ৰাকৃতিক গেছৰ সংযোগো আছে। গাঁওবাসী ইন্ধনৰ বাবে বনাঞ্চলৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল নহয়।
- কঁঠালগুৰি যুটীয়া বন পৰিচালনা সমিতিৰ পৰা প্ৰায় ৫ কিলোমিটাৰ আঁতৰৰ শালবাৰীত মাধ্যমিক বিদ্যালয়, হাইস্কুল, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বেংকৰ লগতে ডাকঘৰ আছে।
- গাঁওখনত থকা তিনিটা পুথিভঁৰালৰ উপৰিও প্ৰাথমিক বিদ্যালয়খনকেই গাঁওবাসীয়ে বিভিন্ন সভা-সমিতিৰ বাবে ব্যৱহাৰ কৰে।

- কঁঠালগুৰি যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত গাঁওখন পশুখাদ্যৰ বাবে শস্যৰ অৱশিষ্ট, গছৰ পাত, ঘাঁহ আদি সেউজ খাদ্যৰ ওপৰতে নিৰ্ভৰশীল।
- গাঁৱত কোনো ধৰণৰ সামাজিক বেৰা নথকাৰ বাবে ইয়াৰ কৃষি আৰু পশুধন আংশিকভাৱে ৰাষ্ট্ৰীয় উদ্যানখনৰ বনৰীয়া জীৱ-জন্তুৱে আক্ৰমণ কৰে।
- কঁঠালগুৰি যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত গাঁওবাসী সাপ্তাহিক বজাৰ আদিৰ বাবে ৫ কি:মি: দূৰত্বৰ শালবাৰীলৈ যাব লাগে।

## ৩.২ সম্পদৰ স্থানাংক


অধিবাসীসকলৰ বেলেগ বেলেগ গোটত বেলেগ বেলেগ সম্পদৰ গোটক চিনাক্ত কৰি পৰ্যবেক্ষণ কৰা হৈছে ইই জাতিটোৰ আৰ্থ-সামাজিক দিশটোৰ মূল্যাংকণ কৰাত সহায় কৰাৰ লগতে অধিবাসীসকলে কোনবিধ সম্পদক কেনে দৃষ্টিৰে গ্ৰহণ কৰিছে সেই বিষয়েও জানিব পৰা যায়।

নিম্নোক্ত দিশসমূহৰ বিচাৰেৰে সম্পদৰ ক্ৰম উলিয়াব পৰা যায় :-

ক) ভূমি দখল

খ) জীৱিকা

প্ৰায় ২৪.৫৬ শতাংশ লোক দুখীয়া, প্ৰায় ৭১.৯৩ শতাংশ লোক মধ্যবিত্ত আৰু বাকী প্ৰায় ৩.৫১ শতাংশ লোকক ধনী লোকৰ শাৰীত ধৰিব পৰা যায়। দুখীয়া মানুহখিনিয়ে মূলতে দৈনিক মজুৰি কৰাৰ উপৰিও কেতিয়াবা যথেষ্ট মাটি থকা আন লোকৰ পৰা আধি লয়।




চিত্ৰ ৩.১ ঃ সম্পদৰ স্থানাংক

## ৩.৩ সময় সীমাৰ পৰ্যালোচনা

পূৰ্বৰ কোনো বিশেষ ঘটনা বা বুৰঞ্জীমূলক ঘটনাৰ বিষয়ে জানিবলৈ দলটোৱে সময় সীমাৰ পৰ্যালোচনা কৰে। দলৰ সদস্যসকলে গাঁওবুঢ়া, বয়স্ক ব্যক্তি আৰু কিছুমান যুৱক-যুৱতীৰ সৈতেও এই ঘটনাবোৰৰ বিষয়ে আলোচনা কৰে আৰু এই ঘটনাবোৰে গঞাৰ জনজীৱনত কিবা প্ৰভাৱ পেলাইছে নেকি এই বিষয়ে জনাৰ অভিপ্ৰায় কৰে।

**তালিকা ৩.৩ সময় সীমাৰ পৰ্যালোচনা**

| বছৰ | অনুষ্ঠান | প্ৰকাৰ |
|---|---|---|
| ১৯৭১ | প্ৰাথমিক বিদ্যালয় স্থাপন | গঠনমূলক |
| ১৯৭৬ | প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা | কৃতকাৰ্য |
| ১৯৭৭ | মানুহ-জন্তুৰ সংঘাত | ধ্বংসাত্মক |
| ১৯৮১ | প্ৰথমবাৰৰ বাবে স্নাতক পৰীক্ষা | |
| ২০১০ | জীৱিকাৰ সন্ধানত যুৱকৰ প্ৰব্ৰজন | প্ৰব্ৰজন |
| ২০১৩ | পকী আলিবাট আৰু আৰ চি চি দলং নিৰ্মাণ | গঠনমূলক |

## ৩.৪ জীৱিকা সংক্ৰান্তীয় কামৰ ঋতুকালীন মানচিত্ৰ ঃ

স্থানীয় লোকৰ পৰা লাভ কৰা বতৰৰ খবৰে ঋতুকালীন মানচিত্ৰ অংকনত ভালেখিনি অৰিহণা যোগায়। ইয়াৰ দ্বাৰা বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন কামৰ হেঁচা আৰু অসূচল অৱস্থাৰ বিষয়ে জানিব পৰা যায়।


দলগতভাৱে হোৱা আলোচনাৰ ভিত্তিত, প্ৰায়ে ঋতুকালীন পঞ্জিকা তৈয়াৰ কৰি গুটি সিঁচা, ফল ধৰা আৰু ফল সংগ্ৰহৰ কথা চিনাক্ত কৰিব পাৰি।

ইয়াৰ ভিত্তিতে বছৰটোৰ উত্থান-পতনৰ এডাল ৰেখাচিত্ৰ অংকন কৰিব পৰা যায়। এই বৈচিত্ৰ্যতাত বৃষ্টিপাত, শস্য উৎপাদন, শ্ৰমৰ চাহিদা, বৰ্হি-গমন, মহামাৰী আদিৰ খবৰ, ব্যয়ৰ সীমা আদি সন্নিবিষ্ট হয়। উৎসৱ আদি উল্লেখযোগ্য সময়ৰ কথাও ইয়াত উল্লেখ থাকে।

ঋতুকালীন মানচিত্ৰত সাধাৰণতে ঋতুকালীন শস্যৰ বিবিধতা থাকে। ঋতুকালীন মানচিত্ৰত আমি বছৰটোৰ কৃষিজনিত শস্যৰ তিনিটা সময়ৰ কাম, যেনে গুটি সিঁচা, ফল ধৰা আৰু ফল সংগ্ৰহৰ কথা বিস্তাৰে উল্লেখ কৰোঁ।

ঋতুকালীন মানচিত্ৰৰ পৰা এই কথা প্ৰতীয়মান হ'ল যে, গাঁওখনত মুখ্যতঃ শালিধান, তামোল, নেমু আদিৰ খেতি কৰা হয়। জৰীপৰ পৰা পোৱা তথ্য মতে কঁঠালগুৰি যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত গাঁওবাসীৰ ঋতুৰ ওপৰত নিৰ্ভৰশীল নোহোৱা মূল জীৱিকা হ'ল— গাহৰি পালন, কুকুৰা পালন, তাঁতবোৱা, দৈনিক নিৰিখত শ্ৰমদান, পকামিস্ত্ৰীৰ কাম, টেইলৰিং, কাঠমিস্ত্ৰীৰ কাম।

ঋতুকালীন মানচিত্ৰ





চিত্ৰ ৩.২ ঃ ই পি এ কঁঠালগুৰিৰ ঋতুভিত্তিক মানচিত্ৰ

**তালিকা-৩.২ ঃ ঋতুকালীন শস্যৰ চানেকি**


| শ্ৰেণী বিভাগ | | কামৰ সময় | | |
|---|---|---|---|---|
| কৃষি | | **গুটি সিঁচা** | **শস্য চপোৱা** | **সংগ্ৰহ** |
| | শালি | মে’-জুন | অক্তোবৰ - নৱেম্বৰ | - |
| | তামোল | জুলাই -অক্তোবৰ | ফেব্ৰুৱাৰী-মে’ | - |
| | পাচলি | নৱেম্বৰ- ডিচেম্বৰ | ফেব্ৰুৱাৰী- মাৰ্চ | - |
| | নেমু | গোটেই বছৰজুৰি | | |
| অন-কৃষি | তাঁতবোৱা | গোটেই বছৰজুৰি | | |
| | পশুপালন | | | |
| | দৈনিক শ্ৰমদান | | | |
| | দোকানী | | | |
| | ইলেকট্ৰিচিয়ান | | | |
| | পকামিস্ত্ৰীৰ কাম | | | |

## ৩.৫ ভেন ডায়াগ্রাম



POST OFFICE
BUS STAND
RAILWAY STATION
MARKET
RAJABIL EBC
HIGH SCHOOL
COLLEGE
REVENUE OFFICE
POLICE STATION
Signature:


## ৩.৬ চাপাটি ডায়েগ্রাম




KHANTHALGURI EDC
Bank
Police Station
5 Km
Forest Office (Beat)
5 Km
Bus Stand
27 Km
Railway Station
Post Office
5 Km
Primary Health Centre
5 Km
VCDC
2 Km
Major Market
36 Km
District Headquarter
Signatures:
President/Secretary
Khanthalguri
Eco-Development Committee
Date:

## ৩.৬ চাপাট্টি ডায়েগ্ৰাম

অগ্ৰাধিকাৰ স্থানাংক—ই পি এ



অগ্ৰাধিকাৰ স্থানাংক—জীৱিকা



## ৩.৬ পৰিশিষ্ট
## আলোকচিত্ৰ



পি আৰ এ অনুশীলনৰ দ্বাৰা গাঁৱৰ মানচিত্ৰ প্ৰস্তুত




গাঁওবাসীৰ সৈতে এখন আলোকচিত্ৰ

## পৰিশিষ্ট ৬

ই ডি চিৰ কাৰ্যবাহী সদস্যসকলৰ তালিকা

| ক্ৰমিক নং | নাম | পদবী | পুৰুষ-মহিলা |
|---|---|---|---|
| ১ | খগেন স্বৰ্গীয়াৰী | সভাপতি | পুৰুষ |
| ২ | দেংখ নাৰ্জাৰী | সচিব | পুৰুষ |
| ৩ | মনেশ্বৰ দৈমাৰী | সদস্য সচিব | পুৰুষ |
| ৪ | চিৰন গয়াৰী | কোষাধ্যক্ষ | পুৰুষ |
| ৫ | ৰাজীৱ মহিলাৰী | সদস্য | পুৰুষ |
| ৬ | বাণীকান্ত বসুমতাৰী | সদস্য | পুৰুষ |
| ৭ | বিপিন স্বৰ্গীয়াৰী | সদস্য | পুৰুষ |
| ৮ | ভাৰ্তী বসুমতাৰী | সদস্য | পুৰুষ |
| ৯ | অমৰসিং দৈমাৰী | সদস্য | পুৰুষ |
| ১০ | শোবাৰাম নাৰ্জাৰী | সদস্য | পুৰুষ |
| ১১ | মঞ্জুলী স্বৰ্গীয়াৰী | সদস্য | পুৰুষ |
| ১২ | চনচুমা স্বৰ্গীয়াৰী | সদস্য | পুৰুষ |
| ১৩ | আনলা বড়ো | সদস্য | পুৰুষ |
| ১৪ | কমল ৰাৰী | সদস্য | পুৰুষ |
| ১৫ | মীনা গয়াৰী | সদস্য | মহিলা |
| ১৬ | জয়শ্ৰী ৰাৰী | সদস্য | মহিলা |
| ১৭ | গওহম বড়ো | সদস্য | পুৰুষ |
| ১৮ | বুজন বসুমতাৰী | সদস্য | পুৰুষ |
| ১৯ | পাংখা ৰাণী মহিলাৰী | সদস্য | মহিলা |
| ২০ | পূৰ্ণিমা বসুমতাৰী | সদস্য | মহিলা |
| ২০ | বিপুল বসুমতাৰী | সদস্য | পুৰুষ |

## খান্থালগুৰি ই ডি চিৰ পঞ্জীয়ন-পত্ৰ



GOVT. OF ASSAM

BODOLAND TERRITORIAL COUNCIL
OFFICE OF THE FIELD DIRECTOR, MANAS TIGER PROJECT
Barpeta Road- 781315, Assam.

Registration No. MTP/EDC/05, dated 10th April' 2016

*This is to certify that "KHANTALGURI ECO-DEVELOPMENT COMMITTEE" under Bansbari Range of Manas Tiger Project, Barpeta Road which was Registered with the Office of the Field Director, Manas Tiger Project, Barpeta Road, Assam on 10th April' 2016 has been renewed upto 10th April 2017*

*Signed under my hand & seal.*

(H.K. Sharma, IFS)
Field Director, Manas Tiger Project
Barpeta Road, Assam.

Place: Barpeta Road.
Date: 10/04/2016.

Khanthalguri EDC

Khanthalguri Eco Development Committee
Vill-Khanthalguri
Dist.-Baksa BTAD

## List of Participants

| Sl. No. | Name of Participant | Sex | Age | Qualification |
|---|---|---|---|---|
| 1. | Mrs Lakshmi Swargiary. | F | 24 | HSLC. |
| 2. | Mrs Mamjuli Swargiary | F | 23 | HSLC. |
| 3. | " Nirada Swargiary | F | 32 | IX |
| 4. | " Amang Swargiary (1) | F | 35 | Nil |
| 5. | " Dalsri Swargiary | do | 30 | do |
| 6. | " Amang Swargiary (2) | do | 32 | do |
| 7 | Miss Sujuma Swargiary | do | 24 | BA 5 cm. |
| 8. | Mrs. Karge Swargiary | do | 23 | VIII |
| 9. | " Kamali Swargiary | do | 30 | X |
| 10. | " Phulmati Swargiary | do | 22 | X |
| 11. | Dipali Swargiary | do | 24 | VIII |
| 12. | " Joysri Basumatary | do | 23 | X |
| 13. | " Nakila Gayary | do | 32 | IX |
| 14. | " Rimi Boro | do | 23 | X |
| 15. | " Swmbwr Boro | do | 28 | Nil |
| 16. | " Mone Boro | do | 29 | Nil |
| 17. | " Joysri Boro | do | 24 | VII |
| 18. | " Birada Gayary | do | 32 | VIII |
| 19. | " Saukhli Boro | do | 29 | Nil |
| 20. | " Sangle Brahma | do | 35 | Nil |
| 21. | " Haithuri Narzary | do | 36 | IX |
| 22. | " Golapi Daimary | do | 32 | VI |
| 23. | " Parul Daimary | do. | 47 | X |
| 24. | " Pasari Basumatary. | do | 27 | HSLC. |
| 25. | " Bhanu Swargiary | do | 28 | X |
| 26. | " Ajali Basumatary | do | 32 | VII |
| 27. | " Monika Basumatary | do | 28 | X |
| 28. | " Baijyanti Swargiary | do | 26 | VII |
| 29. | " Sopna Basumatary | do | 34 | HSLC. |
| 30. | " Rajoni Basumatary | do | 35 | VIII |
| 31. | " Mwnsri Ramchiary | do | 36 | VII |
| 32. | " Girija Ramchiary | do | 38 | Nil |
| 33. | " Hemlata Daimary | do | 27 | X |
| 34. | " Haite Daimary | do | 38 | VI |
| 35. | " Bijita Ramchiary | do | 21 | HSLC |
| 36. | " Abela Daimary | do | 32 | Nil. |
| 37. | " Kokila Boro | do | 37 | X |
| 38. | " Pratima Mahilary. | do | 36 | MS |
| 39. | " Champa Mahilary | do | 36 | IX |
| 40. | " Sabita Mahilary | do | 35 | HSLC |
| 41. | " Rupama Basumatary | do | 30 | HSLC |
| 42. | " Santi Bala Narzary | do | 37 | IX |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |

President/ Secretary
Khanthalguri
Eco-Development Committee
Date: 15-5-22

## পৰিশিষ্ট ৬ (তথ্য-১)

তালিকা-১ ঃ ই ডি চিৰ মূল তথ্য

| জে এফ এম চিৰ নাম | গঠনৰ তাৰিখ | কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ নাম | সভাপতিৰ নাম | সচিবৰ নাম | গাঁও উন্নয়ন নিধিৰ ধন | প্ৰতি পৰিয়াল বা ব্যক্তিৰ বৰঙণি | ব্যৱহৃত সামাজিক বেৰ হয়/নহয় | বিশেষ সাফল সন্দৰ্ভত মন্তব্য | সাফল্যৰ মানৰ % হাৰ |
|---|---|---|---|---|---|---|---|---|---|
| খাম্বালগুৰি | ৯/৪/২০১৫ | ২১ | খগেন স্বৰ্গীয়াৰী | দেংখৌ নাৰ্জাৰী | — | — | — | — | — |

## তালিকা-২ ঃ গাঁওভিত্তিক জনসংখ্যাৰ তথ্য

| গাঁৰৰ নাম | পৰিয়ালৰ সংখ্যা | অনুসূচিত জনজাতি | | | অ'বি চি | | অনুসূচিত জাতি | | প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে লিঙ্গ অনুপাত | পৰিয়াল গড় আকাৰ (আনুঃ) |
|---|---|---|---|---|---|---|---|---|---|---|
| | | মুঠ | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | | |
| খাম্বালগুৰি | ১৪৪ | ৫৬০ | ২৭৬ | ২৮৪ | — | — | — | — | ১০২৯ | ৫ |
| মুঠ | ১৪৪ | ৫৬০ | ২৭৬ | ২৮৪ | — | — | — | — | ১০২৯ | ৫ |

## তালিকা- ৩ ঃ ভূমি ধাৰণৰ ভিত্তিত গাঁৰৰ কৃষকসকলৰ শ্ৰেণী বিভাগ

তালিকা- ৩ ঃ ভূমি ধাৰণৰ ভিত্তিত গাঁৰৰ কৃষকসকলৰ শ্ৰেণী বিভাগ

| গাঁৰৰ নাম | ভূমি ধাৰণ অনুযায়ী কৃষকৰ শ্ৰেণী বিভাগ | | | | মুঠ |
|---|---|---|---|---|---|
| | ধনী কৃষক > ১০ হেক্টৰ | ক্ষুদ্ৰ কৃষক ২-১০ হেক্টৰ | উপান্ত কৃষক < ২ হেক্টৰ | ভূমিহীন পৰিয়াল | |
| **খাম্বালগুৰি** | — | ৪ | ৮২ | ২৮ | ১১৪ |
| **মুঠ** | — | ৪ | ৮২ | ২৮ | ১১৪ |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

| ক্ৰমিক নং | গাঁৰৰ নাম | পশুধনৰ সংখ্যা | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | গাই | ম'হ | ছাগলী | হাঁহ | কুকুৰা | গাহৰি | মুঠ |
| ১ | খাম্বালগুৰি | ১৯৭ | ১১ | ৭৩ | — | ৯৮০ | ১৪০ | ১৪০১ |
| | মুঠ | ১৯৭ | ১১ | ৭৩ | — | ৯৮০ | ১৪০ | ১৪০১ |

| ক্ৰমিক নং | আন্তঃগাঁথনি | অৱস্থিতি | গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|---|
| ১ | প্ৰধান পথ | শালবাৰী | ৫ কিঃ মিঃ |
| ২ | বিদ্যুৎ | শালবাৰী | ৫ কিঃ মিঃ |
| ৩ | গেছ সংযোগ | শালবাৰী | ৫ কিঃ মিঃ |
| ৪ | প্ৰাথমিক চিকিৎসা কেন্দ্ৰ | শালবাৰী | ৫ কিঃ মিঃ |
| ৫ | প্ৰাথমিক বিদ্যালয় | খাম্থালগুৰি | গাঁৱৰ ভিতৰত |
| ৬ | মাধ্যমিক বিদ্যালয় | শালবাৰী | ৫ কিঃ মিঃ |
| ৭ | ডাকঘৰ | শালবাৰী | ৫ কিঃ মিঃ |
| ৮ | হাইস্কুল | শালবাৰী | ৫ কিঃ মিঃ |
| ৯ | বেংক | শালবাৰী(এছ বি আই) | ৫ কিঃ মিঃ |
| ১০ | অংগনৱাড়ী কেন্দ্ৰ | খাম্থালগুৰি | গাঁৱৰ ভিতৰত |
| ১১ | ডাকঘৰ | শালবাৰী | ৫ কিঃ মিঃ |
| ১২ | বন আঞ্চলিক কাৰ্যালয় | বাঁশবাৰী | ৫ কিঃ মিঃ |
| ১৩ | বন লাট কাৰ্যালয় | ভাতগলি | ১ কিঃ মিঃ |
| ১৪ | ৰেল ষ্টেচন | সৰুপেটা | ২৩ কিঃ মিঃ |
| ১৫ | কলেজ | শালবাৰী | ৫ কিঃ মিঃ |
| ১৬ | পুলিচ আউট প'ষ্ট | শালবাৰী | ৫ কিঃ মিঃ |
| ১৭ | সাপ্তাহিক বজাৰ | শালবাৰী | ৫ কিঃ মিঃ |
| ১৮ | ভি চি ডি চি | ঘোঁৰামৰা | ২ কিঃ মিঃ |

## তালিকা- ৬ ঃ কৃষিজাত শস্য

তালিকা ৬ ঃ ই ডি চি খাস্থালগুৰিৰ শস্য

| শস্যৰ প্ৰকাৰ | বৰ্ষা নিৰ্ভৰ | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | এলেকা হেক্টৰ হিচাপত | শস্যৰ নাম | এলেকা হেক্টৰ হিচাপত |
| খাৰিফ | আইজং, শালি | ৪৫.৬০ | | |
| ৰবি শস্য | জলকীয়া, মূলা, আলু | ১০ | | |
| অন্যান্য | নেমু, তামোল | ২, ১৫ | | |

## তালিকা-৭ ঃ শস্য উৎপাদন ৰূপৰেখা

তালিকা ৭ ঃ খাস্থালগুৰি ই ডি চিৰ শস্য উৎপাদনৰ ৰূপৰেখা

| শস্যৰ প্ৰকাৰ | মুঠ উৎপাদন (আনুমানিক) কুইণ্টল | উৎপাদন কৰা পৰিয়ালৰ সংখ্যা | গড় উৎপাদনত শস্যৰ অধিন এলেকা | শস্য অন্তৰ্গত এলেকা |
|---|---|---|---|---|
| ধান | ১৩৬৮ | ৮৬ | ৩০ | ৪৫.৬০ |
| শাক-পাচলি | ৩৭.৫ | ৪০ | ৩.৭৫ | ১০ |
| নেমু | ১২ | ৩৫ | ৬ | ২ |
| তামোল | ১৫০ | ৯৫ | ১০ | ১৫ |

## তালিকা- ৮ ঃ খাস্থালগুৰিৰ পশুখাদ্যৰ পৰ্যাপ্ততা

তালিকা ৮ ঃ খাস্থালগুৰি ই ডি চিৰ পশুখাদ্যৰ পৰ্যাপ্ততা

| প্ৰকাৰ | ১-৩ মাহ | ৩-৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | — | ✓ | — |
| ঘৰুৱা পেলুৱা বস্তু | — | — | ✓ |
| সেউজীয়া পশুখাদ্য | — | — | ✓ |
| বনাঞ্চলত চাৰণ | — | ✓ | — |

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ দূৰত্ব আৰু অৱস্থান

তালিকা ৯ ঃ গাঁৱৰ পৰা বজাৰৰ দূৰত্ব আৰু অৱস্থান

| ক্রয়ৰ বাবে | অৱস্থান | যদি অন্য গাঁৱত, গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|
| গেলামাল | শালবাৰী | ৫ কিঃ মিঃ |
| সাপ্তাহিক বজাৰ | শালবাৰী | ৫ কিঃ মিঃ |
| প্রধান বজাৰ | ৰূপহী | ২ কিঃ মিঃ |
| বন নিগম বিক্রী বিভাগ | — | — |
| টেণ্ডু পাট্টা পি এইচএ ডি | — | — |
| মাছৰ বজাৰ | ৰূপহী | ২ কিঃ মিঃ |
| ভেষজ উদ্ভিদ সংগ্রহ কেন্দ্র | — | — |
| বন নিগম ভেষজ উদ্ভিদ সংগ্রহ কেন্দ্র | — | — |

## তালিকা- ১০ ঃ জলসম্পদ সুবিধাৰ পৰ্যাপ্ততা

তালিকা ১০ ঃ জলসম্পদ সুবিধাৰ পৰ্যাপ্ততা

| জলৰ উৎস | সংখ্যা | পানীৰ পৰ্যাপ্ততা (উপযুক্ততা, ঋতুকালীন) | ব্যৱহাৰ (খোৱাৰ বাবে, জলসিঞ্চন, গা ধোৱা) |
|---|---|---|---|
| জান, জুৰি | ১ | বছৰজুৰি | জলসিঞ্চন, পশুপালন |
| দমকল | ১ | বছৰজুৰি | খোৱা, ঘৰুৱা ব্যৱহাৰ |
| কঁৱা | ৩ | বছৰজুৰি | খোৱা, ঘৰুৱা বব্যহাৰ |
| পুখুৰী | ১ | বছৰজুৰি | মীন পালন |

## তালিকা- ১১ ঃ শক্তি ব্যৱহাৰ

তালিকা ১০ ঃ খান্থালগুৰি ই ডি চিৰ শক্তি ব্যৱহাৰ দেখুওৱা হৈছে

| ইন্ধনৰ প্রকাৰ | নিৰ্ভৰশীল পৰিয়ালৰ সংখ্যা | নিৰ্ভৰশীল মাহৰ সংখ্যা | উৎস (স্থানীয় গাঁও, বন, অন্যান্য উৎস) | মুখ্য / গৌণ |
|---|---|---|---|---|
| কাঠখৰি | ১১৪ | গোটেই বছৰ | বনাঞ্চল, বস্তি | মুখ্য |
| কেৰাচিন | ৭৬ | গোটেই বছৰ | মুকলি বজাৰ | গৌণ |
| গোবৰ জৈৱ গেছ | — | — | — | — |
| ৰন্ধন গেছ | ১২ | গোটেই বছৰ | এজেন্সি | গৌণ |
| বৈদুতিক চৌকা | — | — | — | — |

**তথ্য-II**

## জীৱিকাৰ সুযোগ বিশ্লেষণ

### তালিকা- ১২ ঃ কৃষি আৰু উদ্যান শস্য

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| কম উৎপাদন | ■ বনৰীয়া জীৱ-জন্তুৰ বাবে কোনো ধৰণৰ বেৰা নাই<br>■ পৰম্পৰাগত কৃষি পদ্ধতি (কৃষি সম্পৰ্কীয় বুনিয়াদী শিক্ষা, পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আদি আধুনিক সা-সৰঞ্জাম, আহিলাৰ অভাৱ)<br>■ উচ্চ উৎপাদনশীল বীজ সম্পৰ্কে সজাগতাৰ অভাৱ। | ■ জৈৱিক বেৰৰ প্ৰয়োগ<br>■ জলসিঞ্চন ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু চৰকাৰৰ জলসিঞ্চন বিভাগৰ সৈতে সংযোগ স্থাপন<br>■ নতুন আৰু অত্যাধুনিক প্ৰযুক্তিৰ প্ৰয়োগ।<br>■ উপযুক্ত আৰু উচ্চমানৰ সাৰ, কীটনাশক আদিৰ প্ৰয়োগ | ■ চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে সংযোগ স্থাপন কৰি সিবিলাকৰ যোজনাসমূহৰ সুবিধা লাভ<br>■ ট্ৰেক্টৰ ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>■ কৃষি-দক্ষতা উন্নতকৰণৰ কাৰ্যসূচী বৰ্ণসংকৰ জাতৰ কৃষি |
| ভঁৰাল আৰু উৎপাদন | ■ সংৰক্ষণ পদ্ধতি সম্পৰ্কে সজাগতাৰ অভাৱ।<br>■ বিদ্যুতৰ সৰবৰাহ নোহোৱাৰ বাবে শীতল মজুতৰ অভাৱ। | ■ বিক্ৰী নোহোৱা সামগ্ৰী দীৰ্ঘকাল ধৰি মজুতৰ সুবিধা।<br>■ উপযুক্ত শস্য মজুত কৰি ৰখাৰ সুবিধা | ■ পেকেজিং<br>■ পৰিবহণ আৰু বিপনণ |
| বিপণন | ■ পৰিবহণ ব্যৱস্থা অতি শোচনীয়। | ■ প্ৰকৃত পৰিবহণ ব্যৱস্থাই কৃষকসকলক তেওঁলোকৰ সামগ্ৰী নিকটৱৰ্তী বজাৰলৈ লৈ যোৱাত সহায় কৰিব। | |

## তালিকা ১৩ ঃ পশুধন

**তালিকা ১৩ পশুধন**

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| **চৰণীয়া ভূমি কম** | প্ৰযোজ্য নহয় | — | — |
| **পশু খাদ্যৰ পৰ্যাপ্ততা** | প্ৰযোজ্য নহয় | — | — |
| পশু চিকিৎসা ব্যৱস্থা | পশু চিকিৎসাৰ কোনো কেন্দ্ৰ নাই। | পশু চিকিৎসাৰ প্ৰশিক্ষণ সজাগতা বৃদ্ধি হ'ব। | — |
| দুগ্ধ উৎপাদন | ■ দুগ্ধ উৎপাদ বৃদ্ধিৰ বাবে বিজ্ঞানসন্মত পশুপালন সম্পৰ্কীয় জ্ঞানৰ অভাৱ। | ■ দুগ্ধ উৎপাদনৰ প্ৰশিক্ষণৰ দ্বাৰা উৎপাদন বৃদ্ধি কৰিব পৰা যায় | — |
| দুগ্ধ বজাৰ | ■ উপযুক্ত দুগ্ধ বজাৰৰ সুবিধা কম | ■ দুগ্ধ বিক্ৰীৰ বাবে সুবিধাজনক বজাৰৰ চাহিদা | — |

## তালিকা- ১৪ ঃ কাঠ ভিন্ন বনজ সম্পদ (এন ডব্লিউ এফ পি)

**তালিকা ১৪ ঃ কাঠ ভিন্ন বনজ সম্পদ**

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| কম সংগ্ৰহ | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় |
| অবহনক্ষম সংগ্ৰহ | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় |
| কম মূল্য | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় |
| মূল্য সংযোজন | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় |

## তালিকা ১৫ ঃ বিশেষ দক্ষতা ঃ হস্তুতাঁত

**তালিকা ১৫ ঃ বিশেষ দক্ষতা ঃ হস্তুতাঁত**

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| **কেঁচামালৰ পৰ্যাপ্ততা** | ■ ঢুকি পোৱা স্থানৰ ভিতৰত কেঁচামালৰ অভাৱ<br>■ (বজাৰ ২৫ কিঃ মিঃ দূৰত) | ■ কেঁচামালৰ ভঁৰাল স্থাপনৰ বাবে উমৈহতীয়া ঠাই। | ■ কেঁচামালৰ ভঁৰাল স্থাপন। |
| **উৎপাদিত সামগ্ৰীৰ গুণগত মান** | ■ 'জাকাৰ্ট' যন্ত্ৰ নিচিনা আধুনিক সা-সৰঞ্জামৰ অভাৱ | ■ পুৰণি কৌশল এৰি নতুন কৌশল গ্ৰহণ কৰা<br>■ নতুন বজাৰ উলিওৱাৰ কাৰণে উন্নতমানৰ সামগ্ৰী উৎপাদন। | ■ আধুনিক যন্ত্ৰপাতি আৰু সা-সঁজুলিৰ বিষয়ে প্ৰশিক্ষণ।<br>■ গাঁওবাসীসকলক উন্নত প্ৰযুক্তি প্ৰদান। |
| **বজাৰৰ সম্ভাৱনীয়তা** | ■ মান সন্মত বজাৰৰ অভাৱ<br>■ মূল্য নীতিৰ অভাৱ<br>■ প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে সংযোগ নাই<br>■ সামগ্ৰী উৎপাদন কৰা নহয় | ■ বিবিধ প্ৰকাৰৰ সামগ্ৰী উৎপাদনৰ জৰিয়তে নতুন নতুন বজাৰ উলিওৱা | ■ উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ বাবে প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে চুক্তিৰ ব্যৱস্থা |
| **ঋণৰ সুবিধা** | ■ আত্ম সহায়ক গোটৰ জৰিয়তে বিত্তীয় সহায়<br>■ চৰকাৰ আৰু বেংকসমূহৰ উন্নয়ন আঁচনিবোৰ সম্পৰ্কে সজাগতাৰ অভাৱ | ■ বিত্তীয় সংস্থা গঠন কৰি লোকসকলৰ মাজত বিশ্বাস সৃষ্টি কৰি বিত্তীয় সাহায্য দিয়া<br>■ চৰকাৰৰ দ্বাৰা বিত্তীয় সাহায্য<br>■ সহজতে ঋণ লাভৰ সুযোগ প্ৰদান | ■ বিত্তীয় অনুষ্ঠান দ্বাৰা লোকসকলৰ মাজত সম্পৰ্ক স্থাপন<br>■ ক্ষুদ্ৰ বিনিয়োগ, নিৰ্ধাৰিত কালৰ ভিত্তিত (টাৰ্ম ল'ন), কাৰ্যকৰী মূলধনৰ ব্যৱস্থা |
| বিবিধ প্ৰকাৰ উৎপাদন | ■ উৎপাদন নাই<br>■ বিবিধ প্ৰকাৰৰ সামগ্ৰী বা নতুন প্ৰকাৰৰ সামগ্ৰী উৎপাদন নকৰা | ■ আধুনিক যুগৰ বজাৰৰ চাহিদা অনুসৰি চাহিদা থকা সামগ্ৰীৰ উৎপাদন | ■ দক্ষতা উন্নতকৰণ আৰু নতুন সামগ্ৰী তথা বিবিধ প্ৰকাৰৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ |

## তালিকা- ১৬ ঃ ঋণৰ সুবিধা

তালিকা- ১৬ ঃ ঋণৰ সুবিধা

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ |
|---|---|---|
| ঋণগ্ৰস্ততা | নাই | ■ নিকটৱৰ্তী এলেকা আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| সুতৰ হাৰ | ■ বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুদ ধাৰ্য | ■ ৰাজ সাহায্য হাৰত (subsidized) ঋণৰ ব্যৱস্থা |
| ঋণৰ পৰ্যাপ্তুতা | ■ ৰিস্ক লোৱাত ভয় লগতে তথ্য পাতিৰ জ্ঞানৰ অভাৱ | ■ ষ্টাৰ্ট-আপছ উদ্যমিতা প্ৰকল্প (ভেঞ্চাৰ) |
| বন্ধকৰ অসুবিধা | ■ বন্ধক ৰখা সম্পত্তিৰ যথোপযুক্ত নথি প্ৰস্তুতকৰণৰ অভাৱ | ■ এলেকাত যথোপযুক্ত দলিল পত্ৰ বা নথি তৈয়াৰ কৰাৰ ক্ষেত্ৰত সজাগতাৰ অভাৱ |

Field Director Manas Tiger Project
Barpeta Road,Assam